তেওঁ নিজৰ এনেকুৱা এজন শিশুকলৈ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ আহিল, যিজন এতিয়াও খোৱা-বোৱা কৰিব পৰা বয়সত উপনীত হোৱা নাছিল। ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে শিশুটোক নিজৰ কোলাত ল'লে। কিছু সময়ৰ ভিতৰতে শিশুটোৱে তেখেতৰ কাপোৰত প্ৰস্ৰাৱ কৰি দিলে। ইয়াৰ পিছত তেখেতে পানী আনিবলৈ দিলে আৰু সেই পানী তেখেতে কাপোৰত ছটিয়াই দিলে। তেখেতে সেই স্থানটো ধোৱা নাছিল।

উম্মু ক্বাইছ বিন্তে মিহছান ৰাদ্বিয়াল্লাহু আনহাই বৰ্ণনা কৰিছে যে, তেওঁ নিজৰ
এনেকুৱা এজন শিশুকলৈ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ আহিল, যিজন এতিয়াও খোৱা-বোৱা কৰিব পৰা বয়সত উপনীত হোৱা নাছিল। ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে শিশুটোক নিজৰ কোলাত ল'লে। কিছু সময়ৰ ভিতৰতে শিশুটোৱে তেখেতৰ কাপোৰত প্ৰস্ৰাৱ কৰি দিলে। ইয়াৰ পিছত তেখেতে পানী আনিবলৈ দিলে আৰু সেই পানী তেখেতে কাপোৰত ছটিয়াই দিলে। তেখেতে সেই স্থানটো ধোৱা নাছিল। [ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

হাদীছটোত উল্লেখ হৈছে যে, উম্মু ক্বাইছ বিন্তে মিহছান ৰাদ্বিয়াল্লাহু আনহাই নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ তেওঁৰ এটি শিশু পুত্ৰক লৈ আহিছিল, সেই শিশুটো তেতিয়ালৈকে পানাহাৰ কৰা বয়সত উপনীত হোৱা নাছিল। নবী চাল্লাল্লাহু আলাইহি অছাল্লামে শিশুটোক নিজৰ কোলাত বহুৱাই ল'লে, ক্ষন্তেক পিছতেই শিশুটো তেখেতৰ কাপোৰত প্ৰস্ৰাৱ কৰিলে। তেখেতে পানী আনিবলৈ দিলে, আৰু সেই পানী তেখেতে নিজৰ কাপোৰত ছটিয়াই ল'লে, তেখেতে শিশুৰ প্ৰস্ৰাৱ লগা সেই ঠাইখিনি ধোৱা নাছিল।

http://www.sunnah.global/hadeeth/as/show/3529